No. of Printed Pages : 5 **BAALA-135**

# B.A. General
# Term-End Examination
# December, 2024

**BAALA-135 : Modern Indian Language : Assamese**

*Duration : 3 Hours* *Maximum Marks: 100*

ছপা কৰা পৃষ্ঠাৰ সংখ্যা: 5 **BAALA-135**

বি.এ. সাধাৰণ

টাৰ্ম-সমাপ্তি পৰীক্ষা

ডিচেম্বৰ - 2024

**BAALA-135**: আধুনিক ভাৰতীয় ভাষা : অসমীয়া

সময়: *3* ঘন্টা সৰ্বাধিক নম্বৰ: *100*

---

***টোকা:*** প্ৰতিটো প্ৰশ্নৰ মূল্যাংক কাষত দিয়া আছে।

---

Downloaded from www.IGNOUBABA.com

1. তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক (যিকোনো ১০ টা)

1x10=10

(a) বাণীকান্ত কাকতিৰ মতে 'অসম' শব্দৰ উৎপত্তি কি শব্দৰ পৰা হৈছে?

(b) 'অপভ্ৰংশ' মানে কি?

(c) 'প্ৰহ্লাদ চৰিত্ৰ' পুথিখনৰ লেখক কোন?

(d) 'অসমীয়া ল'ৰাৰ মিত্ৰ' কাৰ ৰচনা?

(e) হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপালৰ ৰাজদৰবাৰৰ পৰা উদ্ধাৰ কৰি অনা গ্ৰন্থখনৰ নাম কি?

(f) 'নাহৰৰ গীত' কোন শ্ৰেণীৰ মালিতা?

(g) 'নাহৰৰ গীত' কোন গৰাকী আহোম ৰজাৰ দিনৰ পটভূমিত ৰচিত বুলি ভবা হয়?

(h) নাধৱ কন্দলিৰ পৃষ্ঠপোষক কোন?

(i) Early History of Kamrupa গ্ৰন্থখনৰ প্ৰণেতা কোন?

(j) মাধৱদেৱৰ ঝুমুৰাসমূহৰ মূল চৰিত্ৰ কি?

(k) দেৱকান্ত বৰুৱাই কবিতাত ব্যৱহাৰ কৰা বিশেষ কৌশলটো কি?

Downloaded from www.IGNOUBABA.com

(l) "তেওঁ ভাত খাই অফিচলৈ যায়।"-ইয়াত 'খাই' শব্দটোৰ বৈয়াকৰণিক ৰূপ কি?

(m) 'ভালকৈ', 'সৰুকৈ' আদিবোৰক ব্যাকৰণত কি বুলি কোৱা হয়?

2. তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখক (যিকোনো পাঁচটা) 5x5=25

(a) পদ প্ৰকৰণৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখক।

(b) সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ উদাহৰণসহ পৰিচয় দিয়ক।

(c) মাধৱ কন্দলিৰ এটি চমু পৰিচয় দিয়ক।

(d) আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰতনাৰাজিৰ এটি পৰিচয় দিয়ক।

(e) বেলাডৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখক।

(f) পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত চৰ্যাগীতটিৰ ভাবাৰ্থ লিখক।

3. তলত দিয়া শব্দবোৰৰ অৰ্থ লিখক (যিকোনো ১০ টা)

½x10=5

ওৱাৰি, গুঞ্জ, কন্নিকা, ভেট, সৰ্বগুণাকাৰ, সলিল, বাংনি, মাৰুৱা, শাখিনী, ঘকৰাই, জলৰ্ভা, কৰ্কৰা

Downloaded from www.IGNOUBABA.com

4. তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখক (যিকোনো ১০ টা)

1x10=10

সমনীয়া, চৰু, বাতৰি, প্ৰাণ, ঈশ্বৰ, বেলি, শুৱলা, জ্যেষ্ঠ, ভাৰ্যা, সমাদৰ, সন্তোষ, সামাজিক, সম্ভ্ৰম

5. তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ লিখক- 1x5=5

(a) লিংগ মানে মতা মাইকী ভেদ।

(b) সৰ্বনাম পদ বিশেষ্য পদৰ ভিতৰুৱা।

(c) অসমীয়া বিশেষণ আৰু ক্ৰিয়াৰো লিংগ ভেদ আছে।

(d) অসমীয়াত ক্ৰিয়াৰ বচন ভেদ নাই।

(e) অসমীয়াত বচন বৈয়াকৰণিক নহয়।

6. চমু টোকা লিখক (যিকোনো ৩ টা) 5x3=15

(a) চৰিত সাহিত্য

(b) পাঁচালি সাহিত্য

(c) দেৱকান্ত বৰুৱা

(d) মাধৱ কন্দলি

(e) অৰুণোদই

Downloaded from www.IGNOUBABA.com

7. (a) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখক। 10

অথবা

(b) অসমীয়া সাহিত্যৰ ৰোমান্টিক যুগৰ এটি পৰিচয় দিয়ক।

8. (a) 'ভোজনবেহাৰ নাট'ৰ উৎস আৰু মৌলিকতা সম্পৰ্কে এটি টোকা লিখক। 10

অথবা

(b) 'সাগৰ দেখিছা' কবিতাটোৰ কাব্যিক সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰক।

9. (a) কাল আৰু পুৰুষৰ বিষয়ে এটা টোকা লিখক। 10

অথবা

(b) সম্পাদকলৈ লিখা চিঠিৰ নিয়ম সম্পৰ্কে আলোচনা কৰক।



Downloaded from www.IGNOUBABA.com